# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-01-2025
**Time :** 0755 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

লোক কৃষ্টি গৱেষণা উন্নয়ন সমিতি তথা চৰাইদেউবাসী ৰাইজৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম প্ৰাঙ্গণত চৰাইদেউ মহোৎসৱ ২০২৫-ৰ আয়োজন কৰা হৈছে। মাঙ্গলিক কাৰ্যসূচীৰে মহোৎসৱৰ শুভাৰম্ভ কৰাৰ পাছতেই স্বৰ্গদেউসকলৰ তৰ্পণ আৰু বান-ফি পূজা কৰা হয়। মহোৎসৱৰ প্ৰথম দিনা খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস আৰু সংস্কৃতি মন্ত্ৰী যোগেন মহনে খাদ্যমেলাৰ উদ্বোধন কৰে। টাই-আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁইয়ে গ্ৰন্থ, বস্ত্ৰ আৰু কৃষিমেলাৰ উদ্বোধন কৰি চৰাইদেউ মৈদাম ক্ষেত্ৰত টাই সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ বাবে ১ কোটি টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। এই মহোৎসৱতে টাই-আহোম উন্নয়ন পৰিষদে স্বৰ্গদেউ চাওলুং চ্যুকাফা মৈদাম সংৰক্ষণৰ আধাৰশিলা স্থাপন কৰিব বুলি উন্নয়ন সমিতিয়ে প্ৰকাশ কৰিছে।

মহোৎসৱৰ পৰৱৰ্তী দিনৰ বিভিন্ন কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকী কেবিনেট মন্ত্ৰীয়ে অংশগ্ৰহণ কৰাৰ কথা।

০০০০০০

যোৱা সোমবাৰে উমৰাংছ'ৰ তিন কিলোৰ কয়লা খনিত হঠাতে সোমোৱা পানীৰ বাবে সংঘটিত দুৰ্ঘটনাৰ চাৰি দিন অতিবাহিত হোৱাৰ পাছতো খনিৰ ভিতৰত আবদ্ধ শ্ৰমিকৰ সন্ধান উলিয়াব পৰা হোৱা নাই। উদ্ধাৰ কাৰ্যত নিয়োজিত নৌ সেনা বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য বাহিনী, সেনা বাহিনী, ক'ল ইণ্ডিয়া লিমিটেডৰ উদ্ধাৰকাৰী বাহিনী আদি সকলো সংস্থাই এতিয়া কোনো শ্ৰমিকক জীৱিত অৱস্থাত উদ্ধাৰ কৰিব পৰা অৱস্থা নাই বুলি ঘোষণা কৰিছে। বিশাখাপট্টনমৰ নৌ সেনা কমাণ্ডৰ পৰা অহা উদ্ধাৰকাৰী দলে কালিও উদ্ধাৰ কাৰ্যত দূৰ সংবেদী বাহন ব্যৱহাৰ কৰে আৰু ক'ল ইণ্ডিয়াই ব্যৱহাৰ কৰা উচ্চমানৰ পানী নিষ্কাষণ যন্ত্ৰৰে খনিৰ আভ্যন্তৰৰ পৰা পানী সিঁচাৰ কাম অব্যাহত ৰাখে। অসমৰ লগতে পশ্চিমবংগ আৰু নেপালৰ শ্ৰমিক আবদ্ধ হৈ থকাৰ বাতৰি ওলোৱাৰ লগে লগে তিন কিলোলৈ অহা শ্ৰমিক কেইজনৰ পৰিয়ালৰ লোকে অধীৰ আগ্ৰহেৰে প্ৰিয়জনক জীৱিত অথবা মৃত অৱস্থাত পোৱাৰ আশাৰে উদ্ধাৰ অভিযান স্থলীত প্ৰচণ্ড শীতকো নেওচি দিন-ৰাতি অতিবাহিত কৰিছে। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি কালি নিশালৈ চলা অভিযানত কোনো মৃতদেহ উদ্ধাৰ কৰিব পৰা হোৱা নাই। নৌ সেনা, বায়ু সেনা আৰু অসম আৰক্ষীৰ নিৰৱিচ্ছিন্নভাৱে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। বিশাখাপট্টনমৰ পৰা অনা বিশেষ যন্ত্ৰৰে কালি দিনৰ ভাগৰে পৰা উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। আজিও আবদ্ধ শ্ৰমিকৰ সন্ধানত উদ্ধাৰকাৰী দলে উদ্ধাৰ অভিযান চলাব। ইতিমধ্যে ঘটনাস্থলীত অসম আৰক্ষীৰ শীৰ্ষ সেনা বিষয়াকে ধৰি বহু জ্যেষ্ঠ অভিযন্তাই উদ্ধাৰ অভিযানৰ বাবে বাহৰ পাতি আছে।

ইফালে, কংগ্ৰেছকে ধৰি কেইবাটাও বিৰোধী দলে উমৰাংছ'ৰ খনি দুৰ্ঘটনাৰ প্ৰকৃত তথ্য চৰকাৰে দিয়া নাই বুলি অভিযোগ কৰিছে। উচ্চতম ন্যায়ালয়ে নিষিদ্ধ ঘোষণা কৰাৰ পাছতো কিদৰে ৰাজ্যখনত এন্দুৰৰ গাঁত সদৃশ গাঁত খান্দি অবৈধভাৱে কয়লা নিষ্কাষণ কাৰ্য চলাই থকা হৈছে, সেই বিষয়েও বিৰোধী দলসমূহে চৰকাৰৰ পৰা স্পষ্টিকৰণ দাবী কৰিছে।

০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই গোলাঘাটৰ সৰু পথাৰত ধনশিৰি নৈৰ নতুন মথাউৰি নিৰ্মাণকাৰ্যৰ কালি শুভাৰম্ভ কৰে। তেওঁ লগতে সৰু পথাৰৰ শ্যাম গাঁৱত বৌদ্ধ মন্দিৰ উন্নয়ন আঁচনিৰো আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমতে সাংসদ কামাখ্যা প্ৰসাদ তাচা আৰু সৰু পথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনৰ উপস্থিতিত কৈৰি গাঁৱৰ পৰা পানজানলৈ তিনি কোটি ৩১ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া মথাউৰিৰ নিৰ্মাণকাৰ্য আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। বান আৰু খহনীয়া নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিগত সময়ছোৱাত জলসম্পদ বিভাগে সফলতা লাভ কৰা বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ধেমাজি, মাজুলী, লখিমপুৰকে ধৰি কেইবাখনো জিলাত

বানৰ ফলত হোৱা সমস্যা পূৰ্বতকৈ লাঘৱ হৈছে। যোৱাবাৰ বাৰিষাত মাজুলীৰ যুগুনীধাৰীত ব্ৰহ্মপুত্ৰৰ ছিগা মথাউৰি ২৫ দিনৰ ভিতৰতে মেৰামতি সম্পূৰ্ণ কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ পাছতে মন্ত্ৰী হাজৰিকাই শ্যাম গাঁৱত ৰজাপুখুৰী শ্যামগাঁও বৌদ্ধ মন্দিৰ আৰু তুৰুংগাঁও বৌদ্ধ মন্দিৰ উন্নয়ন আঁচনিৰ আধাৰশিলা স্থাপন কৰে।

০০০০০

গুৱাহাটীৰ খানাপাৰা ফাৰ্ম গেট খেলপথাৰত পশুপালন আৰু পশু চিকিৎসা বিভাগ, অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ পশুধন আৰু হাঁহ-কুকুৰা মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ ডেৰ শতাধিক বিপণীয়ে অংশগ্ৰহণ কৰিব। মেলাত বিভিন্ন প্ৰজাতিৰ পশুধন, হাঁহ-কুকুৰা, আলংকৰিক চৰাই প্ৰদৰ্শন আৰু বিক্ৰীৰ উপৰি বিভিন্ন পশুজাত আৰু দুগ্ধজাত সামগ্ৰীৰ বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি পশুপালনত ব্যৱহৃত আধুনিক যন্ত্ৰপাতি, সঁজুলি, আচবাব আদি প্ৰদৰ্শনৰো ব্যৱস্থা কৰা হৈছে। আনহাতে, বিগত বৰ্ষৰ দৰে এইবাৰো মেলাত শ্ৰেষ্ঠ গো-পালক, ছাগলী পালক, ম'হ পালক, গাহৰি, পালক আৰু উন্নত জাতৰ ঘাঁহ খেতিয়কক ৰাজ্যিক আৰু জিলা-ভিত্তিক পুৰস্কাৰ প্ৰদান কৰা হ'ব। ৰাজ্যৰ সৰ্বশ্ৰেষ্ঠ পশুপালকক ১ লাখ টকাৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব। পশুধন আৰু হাঁহ-কুকুৰা মেলা উপলক্ষে বিভিন্ন কাৰিকৰী সত্ৰ, আলোচনাচক্ৰ আদিৰ লগতে পশুপালকৰ বাবে বিনামূলীয়া প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতাৰ আবেদন পত্ৰ গ্ৰহণৰ আজি অন্তিম দিন। ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীসকলে আজিৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ আকাশবাণী গুৱাহাটী চানমাৰিত থকা কাৰ্যালয়ত নিজ হাতে জমা দিব পাৰিব।

০০০০০

'নাটঘৰ মাজুলী'ৰ উদ্যোগত মাজুলী জিলা নাট্য সন্মিলন আৰু মাজুলী জিলা মইনা পাৰিজাতৰ সহযোগত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে মাজুলীত আন্তঃৰাষ্ট্ৰীয় নাট সমাৰোহৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে মাজুলী ভিত্তিত শিশু নাট সমাৰোহৰো আয়োজন কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় নাট সমাৰোহত অসমৰ বিভিন্ন ঠাইৰ চাৰিটা নাট্যদলৰ লগতে উত্তৰ আমেৰিকাৰ এটা নাট্যদলে অংশগ্ৰহণ কৰিব। কাইলৈ সন্ধিয়া চাৰে ৬ বজাত মাজুলী নাটঘৰ নাট্যদলৰ 'মুক্তি' নাটকেৰে এই সমাৰোহ আৰম্ভ হ'ব। অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বিশিষ্ট নাট্যকৰ্মী, নাট্য গৱেষক, নদী বিশেষজ্ঞ আৰু মাজুলীৰ সংগীত নাটক একাডেমী বঁটাপ্ৰাপকসকল উপস্থিত থাকিব।

০০০০০

উজনি মাজুলীৰ জেংৰাইমুখত থকা ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প প্ৰাংগনত কালিৰেপৰা তিনিদিনীয়াকৈ অসমী ভোগালী মেলা-২০২৫ অনুষ্ঠিত হৈছে। ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত এই মেলাৰ আয়োজন কৰা হৈছে। মহিলাৰ আত্মসহায়ক গোটসমূহৰ সদস্যসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে আয়োজিত এই ভোগালী মেলাৰ উদ্বোধনী অনুষ্ঠানত বিধায়ক ভূৱন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ লগতে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিতিমণি পেগু উপস্থিত থাকে।

০০০০০

সমাপ্ত